**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 14-06-2024
**Time :** 0705 hrs

ASSAMESE MORNING BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি ইটালীৰ অপুলীয়াত হ'বলগীয়া জি-ছেভেন আউটৰীচ শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰিব। প্ৰধানমন্ত্ৰীয়ে এই সন্মিলনত ভাগ লোৱাৰ সুযোগতে আজি বিভিন্ন দেশৰ কেইবাগৰাকীও নেতাৰ সৈতে দ্বিপাক্ষিক আলোচনাতো মিলিত হ'ব।

২। অষ্টাদশ লোকসভাৰ প্ৰথম অধিবেশন ২৪ জুনত আৰম্ভ হ'ব আৰু নিম্ন সদনৰ অধ্যক্ষৰ নিৰ্বাচন ২৬ জুনত অনুষ্ঠিত হ'ব।

৩। অজিত দোভালক ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা আৰু ড০ পি কে মিশ্ৰাক প্ৰধানমন্ত্ৰীৰ প্ৰধান সচিব হিচাপে পুনৰ নিযুক্তি দিয়া হৈছে।

৪। ভাৰতৰ শ্ৰুতি ৰোৱাই থ্ৰী ষ্টাৰ গ্ৰা পী প্ৰতিযোগিতাৰ খিতাপ অৰ্জন কৰি ইতিহাস ৰচনা কৰিছে।

***আৰু***

৫। ইংলেণ্ডে ওমানক ৮ উইকেটত পৰাস্ত কৰি আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ-এইট পৰ্যায়ত প্ৰৱেশৰ আশা সজীৱ কৰি ৰাখিছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি ইটালীৰ অপুলীয়াত হ'বলগীয়া জি-ছেভেন আউটৰীচ শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰিব। শ্ৰীমোডী যোৱা নিশা ইটালীৰ প্ৰধানমন্ত্ৰী জিঅ'ৰ্জিয়া মেল'নিৰ নিমন্ত্ৰণ মৰ্মে দুদিনীয়া ভ্ৰমণসূচীৰে ইটালীত উপস্থিত হয়। ভাৰতবৰ্ষক এইবেলি জি-ছেভেন শীৰ্ষ সন্মিলনলৈ আউটৰীচ ৰাষ্ট্ৰ হিচাপে আমন্ত্ৰণ জনোৱা হৈছে। প্ৰধানমন্ত্ৰী মোডীয়ে এই সন্মিলনত ভাগ লোৱাৰ সুযোগতে আজি বিভিন্ন দেশৰ কেইবাগৰাকীও নেতাৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। বিদেশ মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধিৰ জয়ছৱালে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰা দ্বিপাক্ষিক বৈঠকৰ সবিশেষ অনুসৰি শ্ৰীমোডীয়ে আজি ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ', ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী ঋষি চুনাক, জাৰ্মানীৰ চেন্সেলৰ অ'লাফ স্কোল্‌জ, ইটালীৰ প্ৰধানমন্ত্ৰী জিঅ'ৰ্জিয়া মেল'নি, জাপানৰ প্ৰধানমন্ত্ৰী ফুমিঅ' কিছিদা আৰু ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেংস্কিৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব।

প্ৰধানমন্ত্ৰীয়ে কালি ইটালীলৈ বুলি ৰাওনা হোৱাৰ পূৰ্বে দিয়া এটা বিবৃতিত কয় যে চৰকাৰ ভাৰত আৰু ইটালীৰ মাজত কৌশলগত সহযোগিতা সুদৃঢ় কৰাৰ লগতে ভাৰত-প্ৰশান্ত মহাসাগৰীয় তথা ভূমধ্য সাগৰীয় অঞ্চলত সহযোগিতা শক্তিশালী কৰি তুলিবলৈ বদ্ধপৰিকৰ। তেওঁ লগতে একেৰাহে তৃতীয় বাৰৰ বাবে

প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত প্ৰথম বিদেশ ভ্ৰমণৰূপে জি-ছেভেন শীৰ্ষ সন্মিলনত ভাগ লোৱাৰ উদ্দেশ্যে ইটালীলৈ ৰাওনা হোৱাৰ কথাটোলৈ সন্তুষ্টি প্ৰকাশ কৰে। তেওঁ কয় যে যোৱা বছৰত ইটালীৰ প্ৰধানমন্ত্ৰী জিঅ'ৰ্জিয়া মেল'নিৰ দুবাৰকৈ ভাৰত ভ্ৰমণে দেশখনৰ সৈতে দ্বিপাক্ষিক সম্পৰ্কৰ ক্ষেত্ৰত নতুন দিশৰ সূচনা কৰিছে। জি-৭ আউটৰীচ শীৰ্ষ সন্মিলনত কৃত্ৰিম বুদ্ধিমত্তা, শক্তি, আফ্ৰিকা আৰু ভূমধ্য সাগৰীয় অঞ্চলৰ প্ৰসঙ্গই অগ্ৰাধিকাৰ লাভ কৰিব বুলি তেওঁ উল্লেখ কৰে। শ্ৰীমোডীয়ে কয় যে এই ভ্ৰমণে ভাৰতৰ অধ্যক্ষতাত অনুষ্ঠিত জি-২০ শীৰ্ষ সন্মিলন আৰু এইবাৰৰ জি-ছেভেন শীৰ্ষ সন্মিলনৰ ফলাফলৰ ক্ষেত্ৰত অধিক সমন্বয় গঢ়ি তোলা আৰু কম উন্নত দেশৰ বাবে গুৰুত্বপূৰ্ণ বিষয় সম্পৰ্কে আলাপ-আলোচনা কৰাৰ সুযোগ প্ৰদান কৰিব। শ্ৰীমোডীয়ে কয়। যে তেওঁ শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰা অন্য নেতাসকলক সাক্ষাৎ কৰিবলৈ আগ্ৰহেৰে বাট চাই আছে।

০০০০

কংগ্ৰেছে

০০০০

অজিত দোভালক ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা আৰু ড০ পি কে মিশ্ৰাক প্ৰধানমন্ত্ৰীৰ প্ৰধান সচিব হিচাপে ১০ জুনৰ পৰা কাৰ্যকৰী হোৱাকৈ পুনৰ নিযুক্তি দিয়া হৈছে। কেন্দ্ৰীয় কেবিনেটৰ নিযুক্তি কমিটীয়ে কালি অজিত দোভাল আৰু ড০ পি কে মিশ্ৰাৰ নিযুক্তিত অনুমোদন জনায়। কৰ্মচাৰী, ৰাজহুৱা ওজৰ-আপত্তি নিষ্পত্তি আৰু পেন্সন মন্ত্ৰালয়ে কৈছে যে ভাৰতীয় আৰক্ষী সেৱাৰ প্ৰাক্তন বিষয়া শ্ৰীদোভাল আৰু ভাৰতীয় প্ৰশাসনিক সেৱাৰ প্ৰাক্তন বিষয়া শ্ৰীমিশ্ৰাৰ নিযুক্তি প্ৰধানমন্ত্ৰীৰ কাৰ্যকালৰ সামৰণি অথবা পৰৱৰ্ত্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত প্ৰযোজ্য হ'ব। শ্ৰীদোভাল আৰু ড০ মিশ্ৰই কাৰ্যকালৰ সময়ছোৱাত কেবিনেট পৰ্যায়ৰ মন্ত্ৰীৰ মৰ্যাদা লাভ কৰিব।

ইফালে, অমিত খাৰে আৰু তৰুণ কাপুৰক প্ৰধানমন্ত্ৰীৰ উপদেষ্টা হিচাপে নিযুক্তি দিয়া হৈছে। তেওঁলোকৰ নিযুক্তি যোৱা ১০ জুনৰ পৰা কাৰ্যকৰী হ'ব।

০০০০

কেন্দ্ৰীয় জল শক্তি মন্ত্ৰী চি আৰ পাটিলে কালি নতুন দিল্লীত নমামী গংগে অভিযান প্ৰকল্পৰ অগ্ৰগতিৰ বুজ লয়। বৈঠকত পৰিস্কাৰ গংগাৰ বাবে থকা ৰাষ্ট্ৰীয় অভিযান বিকশাই  তোলা পৰিবেশ প্ৰবাহ নিৰীক্ষণ ব্যৱস্থা মুকলি কৰা হয়। এই ব্যৱস্থা প্ৰয়াগ পোৰ্টেলৰ অবিচ্ছেদ্য অংগ। বৈঠকত মন্ত্ৰীগৰাকীয়ে গংগা আৰু ইয়াৰ উপনৈসমূহক সামৰি নমামী গংগে অভিযানৰ বৰ্তমানৰ প্ৰকল্পসমূহ নিৰ্ধাৰিত সময়ত ভিতৰত সম্পূৰ্ণ  কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বৰ্তমান নৈ পুনৰুজ্জীৱিতকৰণ কাৰ্যসূচীৰ আওতাৰ বাহিৰত থকা অঞ্চলসমূহত দেখা দিয়া প্ৰত্যাহ্বানসমূহৰ মূল্যাংকন হোৱাৰ লগতে সেই অঞ্চলসমূহত বিভিন্ন কৌশল বিকশাই তোলাৰ ক্ষেত্ৰত থকা কৌশল উদ্ভাৱনীমূলক সমাধানৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। বৈঠকত মন্ত্ৰীগৰাকীয়ে নমামী গংগে কাৰ্যসূচীৰ অধীনত চলি থকা পৰিস্কাৰ প্ৰকল্পৰ অগ্ৰগতিৰো বুজ লয়।

০০০০

খাদ্য প্ৰসংস্কৰণ উদ্যোগৰ ৰাজ্যমন্ত্ৰী ৰৱনীত সিং বিত্তুৰ অধ্যক্ষতাত কালি নতুন দিল্লীত মন্ত্ৰালয়ৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। বৈঠকত শ্ৰীসিঙক মন্ত্ৰালয়ে ৰূপায়ণ কৰি থকা

আঁচনি আৰু উদ্যোগসমূহৰ অগ্ৰগতি সন্দৰ্ভত অৱগত কৰোৱা হয়। মন্ত্ৰীগৰাকীয়ে ভাৰত মণ্ডপমত অহা ১৯ জনৰ পৰা ২২ জুনলৈ হ'বলগীয়া বিশ্ব খাদ্য ভাৰত, ২০২৪ৰ প্ৰস্তুতি সন্দৰ্ভতো অৱগত কৰোৱা হয়। তেওঁ মন্ত্ৰালয়ৰ বিষয়াসকলক চৰকাৰৰ ১০০ দিনীয়া কাৰ্যসূচীক সাফল্যমণ্ডিত কৰি তোলাৰ বাবে কাম কৰি যাবলৈ নিৰ্দেশনা দিয়ে। মন্ত্ৰীগৰাকীয়ে লগতে অতি ক্ষুদ্ৰ খাদ্য প্ৰসংস্কৰণ উদ্যোগী আৰু কৃষকসকলৰ আয় বৃদ্ধিৰ বাবে কাম কৰিবলৈও বিষয়াসকলক আহ্বান জনায়।

oooo

মুম্বাইত অহা ১৫ৰ পৰা ২১ জুনলৈ সাত দিনীয়াকৈ ১৮ সংখ্যক মুম্বাই আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ আৰম্ভ হ'ব। National Geographic's ৰ তথ্যচিত্ৰ ‘Billy and Molly: An Otter Love Story’ৰ প্ৰদৰ্শনৰে এই মহোৎসৱৰ আৰম্ভণি হ'ব। উদ্বোধনী বোলছবিখন ১৫ জুনত দিল্লী, ক'লকাতা, চেন্নাই আৰু পুনেত প্ৰদৰ্শন কৰা হ'ব। ৰেড কাৰ্পেট অনুষ্ঠানৰ সময়ত দিল্লীত ১৭ জুনত, চেন্নাইত ১৮ জুনত, ক'লকাতাত ১৯ জুনত আৰু পুনেত ২০ জনতো এই বোলছবি প্ৰদৰ্শিত হ'ব।

৭৮ মিনিট জোৰা Billy and Molly: An Otter Love Story শীৰ্ষক বোলছবিখনৰ নিৰ্দেশনা কৰিছে চাৰ্লি হেমিল্টন জেমছে।

oooo

ভাৰতৰ শ্ৰুতি ৱোৰাই থ্ৰী ষ্টাৰ গ্ৰা পী অশ্বচালনা প্ৰতিযোগিতাৰ খিতাপ অৰ্জন কৰি ইতিহাস ৰচনা কৰিছে। শ্ৰুতি ৱোৰা এই খিতাপ দখল কৰা প্ৰথমগৰাকী ভাৰতীয় অশ্বাৰোহী। খেলুৱৈগৰাকীয়ে শ্লোভেনিয়াৰ লিপিকাত অনুষ্ঠিত এফ আই আই ড্ৰেছেজ বিশ্বকাপত ৬৭ দশমিক ৬-১ পইণ্ট লাভ কৰি প্ৰথম স্থান দখল কৰে। ভাৰতীয় অশ্বাৰোহী সংঘৰ সম্পাদক কৰ্ণেল জয়বীৰ সিঙে এই ঐতিহাসিক কৃতিত্ব সন্দৰ্ভত মত প্ৰকাশ কৰি শ্ৰুতিৰ প্ৰদৰ্শনে দেশক গৌৰৱান্বিত কৰা বুলি মন্তব্য কৰিছে। শ্ৰুতি ৱোৰাই ড্ৰেছেজ বিশ্ব চেম্পিয়ন ২০১০ আৰু ২০২২ তথা ২০১৪ চনৰ এছিয়া ক্ৰীড়া মহোৎসৱত ভাৰতক প্ৰতিনিধিত্ব কৰিছে।

oooo

ইংলেণ্ডে ওমানক ৮ উইকেটত পৰাস্ত কৰি আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ-এইট পৰ্যায়ত প্ৰবেশৰ আশা সজীৱ কৰি ৰাখিছে। ওমানে যোৱা নিশা নৰ্থ ছাউণ্ড এণ্টিগুৱাৰ চাৰ ভিভিয়ান ৰিছাৰ্ডছ ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ৪৭ ৰাণতে আটাইকেইটা উইকেট হেৰুৱায়। প্ৰত্যুত্তৰত ইংলেণ্ডে অধিনায়ক য'ছ বাটলাৰৰ ২৪ ৰাণৰ সহায়ত ৩ অভাৰ আৰু এটা বলত দুটা উইকেট হেৰুৱাই ৫০ ৰাণ কৰে। খেলখনত ইংলেণ্ডৰ হৈ চাৰিটা উইকেট দখল কৰা আদিল ৰাছিদক প্লেয়াৰ অব দ্য মেচ হিচাপে ঘোষণা কৰা হয়।

ইপিনে, বাংলাদেশে কিংষ্টনৰ ছেইণ্ট ভিনচেণ্টত অনুষ্ঠিত প্ৰতিযোগিতাৰ আন এখন খেলত নেডাৰলেণ্ডছক ২৫ ৰাণত পৰাস্ত কৰে। খেলখনত বাংলাদেশে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত পাঁচটা উইকেটৰ বিনিময়ত ১৫৯ ৰাণ কৰে। প্ৰত্যুত্তৰত নেডাৰলেণ্ডছে নিৰ্ধাৰিত ২০ অভাৰত আঠটা উইকেট হেৰুৱাই ১৩৪ ৰাণহে কৰিবলৈ সমৰ্থ হয়। বাংলাদেশৰ হৈ ৪৬টা বলত ৬৪ ৰাণৰ গুৰুত্বপূৰ্ণ বৰঙণি আগবঢ়োৱা ছাকিব অল হাছানক প্লেয়াৰ অব দ্য মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত সম্প্ৰতি পাপুৱা নিউগিনি আফগানিস্তানৰ সন্মুখীন হৈছে। খেলখনত পাপুৱা নিউগিনিয়ে প্ৰথমে বেট ধৰি আমালৈ বাতৰি অহাৰ পৰলৈকে ১৫অভাৰত ৭টা উইকেট হেৰুৱাই ৭৬ ৰাণ সংগ্ৰহ কৰি খেলি আছিল।

প্ৰতিযোগিতাৰ আন এখন খেলত আজি আমেৰিকা যুক্তৰাষ্ট্ৰ আয়াৰলেণ্ডৰ সন্মুখীন হ'ব। এই খেলখনত জয়লাভ কৰিলে আমেৰিকা যুক্তৰাষ্ট্ৰই ছুপাৰ-এইট পৰ্যায়ত স্থান লাভ কৰিব আৰু এনে হ'লে পাকিস্তানৰ আশাত চেঁচাপানী পৰিব। আমেৰিকা যুক্তৰাষ্ট্ৰ সম্প্ৰতি প্ৰতিযোগিতাৰ গ্ৰুপ এৰ পইণ্ট তালিকাৰ দ্বিতীয় স্থানত আৰু পাকিস্তান তৃতীয় স্থানত আছে। ভাৰত গ্ৰুপ এৰ শীৰ্ষত আছে।

০০০০

ভাৰতৰ দিব্যা দেশমুখে ছোৱালীৰ বিশ্ব জুনিয়ৰ ডবা প্ৰতিযোগিতাৰ খিতাপ দখল কৰিছে। গুজৰাটৰ গান্ধীনগৰত গিফ্‌ট চিটী চেছত অনুষ্ঠিত খেলত খেলুৱৈগৰাকীয়ে বুলগেৰিয়াৰ বেলোস্লা ক্ৰেচস্তিভাক পৰাস্ত কৰি এই খিতাপ লাভ কৰে। শীৰ্ষ বাছনিৰ দিব্যাই ক্ৰাচস্তিভাক দশম ৰাউণ্ডত মাত্ৰ ২৬ মিনিটত পৰাস্ত কৰে। এয়া হৈছে দিব্যাৰ প্ৰথমটো ইউ-২০ খিতাপ।

০০০০

ঃঃ সমাপ্ত ঃঃ